DA 15

■ আৰ জি বৰুৱা মহাবিদ্যালয়ত শিক্ষা বিভাগৰ উদ্যোগ ■

# দুদিনীয়া ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ সম্পন্ন

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ২২ এপ্ৰিল ঃ** গুৱাহাটীৰ ফটাশিল আমবাৰীৰ আৰ জি বৰুৱা মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ উদ্যোগত এখন দুদিনীয়া ৰাষ্ট্ৰীয় আলোচনাচক্ৰ অনুষ্ঠিত হয়। এই আলোচনাচক্ৰৰ মূল বিষয় আছিল— 'উত্তৰ-পূব ভাৰতৰ শিক্ষা আৰু আৰ্থ-সামাজিক পৰিৱৰ্তন ঃ নব্য গৱেষণা আৰু নীতিগত দৃষ্টিভংগী'। গুৱাহাটী কলেজ অব এডুকেচন আৰু মহাবিদ্যালয়খনৰ আভ্যন্তৰীণ মান নিৰূপক কোষৰ সহযোগত ২১ আৰু ২২ এপ্ৰিলত এই আলোচনাচক্ৰ অনুষ্ঠিত হয়। বন্তিপ্ৰজ্বলন আৰু মহাবিদ্যালয়ৰ ছাত্ৰী কংকণা ডেকাৰ এটি সুমধুৰ বৰগীতেৰে আলোচনাচক্ৰখনৰ শুভাৰম্ভ কৰা হয়। আদৰণী ভাষণ প্ৰদান কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ প্ৰাণজিৎ কুমাৰ নাথে এনে বৌদ্ধিক চৰ্চাৰ গুৰুত্বৰ



ওপৰত আলোকপাত কৰে। একেদৰে আলোচনাচক্ৰখনৰ উদ্দেশ্য ব্যাখ্যা কৰে শিক্ষা বিভাগৰ মুৰব্বী ডঃ দীপাংকৰ তালুকদাৰে। উদ্বোধনী অনুষ্ঠানত অৰুণাচল প্ৰদেশৰ ৰাজীৱ গান্ধী বিশ্ববিদ্যালয়ৰ শিক্ষা বিভাগৰ ডীন অধ্যাপিকা এলিজাবেথ হাংছিঙে মূল বক্তা হিচাপে অংশগ্ৰহণ কৰি বিষয়বস্তুৰ ওপৰত এক সাৰগৰ্ভ ভাষণ আগবঢ়ায়। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে আই চি এছ এছ আৰ-এন ই আৰ ইৰ সঞ্চালক অধ্যাপক ভাগীৰথী পাণ্ডা। তদুপৰি আৰ জি বৰুৱা মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ডঃ যোগেশ শৰ্মা আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ডঃ দুলুমণি গোস্বামীয়ে মুখ্য অতিথি হিচাপে উপস্থিত থাকি আলোচনাচক্ৰখনৰ সৌষ্ঠৱ বৃদ্ধি কৰে। উদ্বোধনী অনুষ্ঠানটিৰ আঁত ধৰে প্ৰিয়ংকা ৰায়াই আৰু শলাগৰ শৰাই আগবঢ়ায় সহঃআহ্বায়ক ডঃ কৰবী কাকতিয়ে। উল্লেখ্য যে এই দুদিনীয়া কাৰ্যসূচীত মুঠ সাতখন আলোচনাসত্ৰত দেশৰ বিভিন্ন প্ৰান্তৰ গৱেষক আৰু অধ্যাপকসকলে অনলাইন আৰু অফলাইন উভয় মাধ্যমতে ৮১ খন গৱেষণা-পত্ৰ পাঠ কৰে।

DAINIK ASAM
DATE - 23/04/2026 Pg - 15